## ঃ প্ৰেছ বিজ্ঞপ্তি ঃ

# কামপুৰত ৰে'ল দুৰ্ঘটনাত বন্যহস্তীৰ মৃত্যু

আজি পুৱা প্ৰায় ৪.৫০ ৰ পৰা ৫.১০ বজাৰ ভিতৰত নগাঁৱৰ কামপুৰত ৰে'লৰ খুন্দাত ৩টা বন্যহস্তীৰ মৃত্যু হয়। ইয়াৰ ভিতৰত মতা দঁতাল হাতী ১টা (বয়স প্ৰায় ৩০ বছৰ), মতা পোৱালি ১টা (বয়স প্ৰায় ৭ বছৰ ) আৰু এজনী গৰ্ভৱতী হাতী (বয়স প্ৰায় ২৫ বছৰ )। ইতিমধ্যে চিকিৎসৰ জৰিয়তে মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা হৈছে। তদুপৰি নগাঁও বন সংমণ্ডল, দক্ষিণ নগাঁও বন সংমণ্ডল আৰু নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ দ্বাৰা যৌথভাৱে পহৰাৰ ব্যৱস্থাৰ লগতে ৰে'ল বিভাগৰ বিপক্ষে এজাহাৰ দাখিল কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা হৈছে। লগতে কামপুৰ বনাঞ্চলিক বিষয়া আৰু কৰ্মচাৰীৰ ওপৰতো বিভাগীয় ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰস্তুতি চলোৱা হৈছে।

এই সম্পৰ্কত বন বিভাগৰ ফালৰ পৰা মাননীয় বনমন্ত্ৰীৰ নিৰ্দ্দেশমৰ্মে বন বিভাগৰ প্ৰধান মুখ্য বন সংৰক্ষক (বন্যপ্ৰাণী) আৰু অতিৰিক্ত প্ৰধান বন সংৰক্ষক (উজনি অসম) লগতে বন সংৰক্ষক (উত্তৰ অসম চক্ৰ) ততালিকৈ ঘটনাস্থলীলৈ ৰাওনা হয়। এই সকল বিভাগীয় উচ্চ পদস্থ বিষয়াই ঘটনা সম্পৰ্কত চৰজমিন তদন্ত অব্যাহত ৰাখিছে।

অসমৰ মাননীয় বনমন্ত্ৰীৰ তৎপৰতাত মানুহ আৰু বন্যপ্ৰাণী সংঘাত নিৰাময়ৰ ক্ষেত্ৰত কিছু উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰা হৈছে ঃ

১) ০৮-১২-২০১৬ তাৰিখে ৰে'ল বিভাগৰ সৈতে সমস্যাটোৰ সমাধানৰ বাবে বিতংভাৱে আলোচনা কৰা হয় আৰু যথোপযুক্ত পদক্ষেপ ল'বলৈ থিৰাং কৰা হয়। অন্যান্য পদক্ষেপৰ ভিতৰত ৰে'লগাড়ী চালক সকলৰ সজাগতাৰ বাবে ২০-১২-২০১৬ তাৰিখে লামডিঙত এখন কৰ্মশালা অনুষ্ঠিত কৰা আৰু ২১-১২-২০১৬ তাৰিখে মাননীয় বনমন্ত্ৰী মহোদয়াৰ অধ্যক্ষতাত ৰাজ্যিক পৰ্যায়ৰ এখন সভাৰো আয়োজন কৰা হৈছে।

২) ১২-১২-২০১৬ তাৰিখে মাননীয় বনমন্ত্ৰীৰ সভাকক্ষত বন বিভাগৰ বিষয়াসকলৰ সৈতে বিষয়টো সম্পৰ্কত গভীৰভাৱে পুনৰীক্ষণ কৰা হয়। বন সংমণ্ডল বিষয়াসকলক মানুহ-বন্যপ্ৰাণী সংঘাত বিষয়টো গভীৰভাৱে ল'বৰ বাবে আদেশ দিয়াৰ লগতে ফলদায়ক পদক্ষেপ ল'বলৈ কঠোৰ নিৰ্দ্দেশ দিয়া হয়।

৩) ১৩-১২-২০১৬ তাৰিখে অৰণ্য ভৱনত অসমৰ সমূহ প্ৰধান মুখ্য বন সংৰক্ষক, অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক, মুখ্য বন সংৰক্ষক, বন সংৰক্ষক আৰু বন সংমণ্ডল প্ৰাধিকাৰীসকলৰ সৈতে মাননীয় বনমন্ত্ৰী আৰু বন বিভাগৰ প্ৰধান সচিব মহোদয়ে ভিডিঅ' কথোপকথৰ জৰিয়তে আলোচনা কৰি অন্যান্য বিষয়ৰ লগতে সংঘাত নিৰাময়ৰ বাবে শক্তিশালী নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা, হাতীৰ চাল-চলনৰ ওপৰত অহৰহ নজৰ ৰখা তথা তাৰ ওপৰত ভিত্তি কৰি মানুহ আৰু সা-সম্পত্তিৰ যাতে ক্ষতি নহয়, দুৰ্ঘটনা প্ৰতিৰোধ কৰাৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ পুনৰ দোহৰা হয়।



*-সিপিঠিত*

৪) প্ৰতিটো সংমণ্ডলত নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰি ২৪ ঘণ্টা বিভাগীয় কৰ্মচাৰী দ্বাৰা কৰ্ত্তব্যৰ ব্যৱস্থা কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। ইয়াৰ জৰিয়তে স্থানীয় গাঁওবুঢ়া, ষ্টেচন মাষ্টৰ আৰু প্ৰতি-সংঘাত নিৰাময় বাহিনীৰ লগত যোগাযোগ ৰাখি পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ ব্যৱস্থা কৰা হৈছে। প্ৰতিটো সংমণ্ডলত প্ৰতি-সংঘাত নিৰাময় বাহিনী (Anti-Depredation Squad) গঠন কৰি কাৰ্যক্ষম কৰিবলৈ নিৰ্দ্দেশ দিয়া হয়। স্থানীয় যুৱকৰ দ্বাৰা প্ৰতি-সংঘাত বাহিনী গঠন কৰি মানৱ-বন্য জন্তু সংঘাত নিৰাময় কৰাৰ লগতে বন্য জন্তুৰ জীৱন যাতে সুৰক্ষিত হয় তাৰ পদক্ষেপ লোৱা হৈছে।

৫) মানুহ-বন্যপ্ৰাণী সংঘাত নিৰাময়ৰ কৰ্ত্তব্য সম্পাদনত কোনো বন বিষয়া তথা কৰ্মচাৰীয়ে কৰ্ত্তব্যত অৱহেলা কৰা পৰিলক্ষিত হ'লে বিভাগৰ ফালৰ পৰা তাৎক্ষণিকভাৱে বিহীত ব্যৱস্থা গ্ৰহণ কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

৬) মাননীয় বনমন্ত্ৰীয়ে ৰে'ল বিভাগক হাতী অহা-যোৱা কৰা পথত ৰে'লৰ গতিবেগ প্ৰতি ঘণ্টাত ১৫ কিঃ মিঃলৈ হ্ৰাস কৰাৰ বাবে অনুৰোধ জনাইছে। তদুপৰি আধুনিক প্ৰযুক্তি কৌশলেৰে এলাৰ্ম পদ্ধতি, সৌৰশক্তি চালিত পোহৰৰ ব্যৱস্থা, ইত্যাদি কৰিবলৈকো ৰে'ল বিভাগক পৰামৰ্শ আগবঢ়াইছে।

৭) সঘনে যিবিলাক পথেদি হাতী অহা-যোৱা কৰে সেই বিলাক পথত যদি বৈদ্যুতিক তাঁৰ বিপদজনক ভাৱে ওলমি থাকে তেন্তে লগে লগে বিদ্যুৎ বিভাগক অৱগত কৰি যথোপযুক্ত ব্যৱস্থা ল'বৰ বাবে বন সংমণ্ডল সমূহক  নিৰ্দ্দেশ জাৰি কৰা হৈছে।

৮) হাতীৰ কৰিড'ৰ সুৰক্ষিত কৰা আৰু হাতীৰ আৱাসস্থলৰ উন্নয়ন কৰাৰ ওপৰত অগ্ৰাধিকাৰ দিয়া হৈছে। হাতীৰ সংৰক্ষিত এলেকাত হাতীৰ খাদ্য, পানী আদিৰ ব্যৱস্থা উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

৯) এই ক্ষেত্ৰত সাধাৰণ নাগৰিক, স্বেচ্ছাসেৱী সংগঠন, যুটীয়া বন পৰিচালনা সমিতি, ই.ডি.চি. আদিক লগতলৈ হাতী মানুহৰ সংঘাতৰ পৰা পৰিত্ৰাণ পাবলৈ যুটীয়াভাৱে পৰিকল্পনা কৰা হৈছে।

১০) জীৱ-জন্তুৰ সুৰক্ষাৰ বাবে বন্যপ্ৰাণীৰ বিশেষজ্ঞ আৰু বন্যপ্ৰাণীৰ বিষয়ে জ্ঞান থকা চিকিৎসক আদিক লগত লৈ বন্য স্বাস্থ্য প্ৰতিষ্ঠান স্থাপন কৰা হ'ব যাতে বন্যপ্ৰাণীৰ সুৰক্ষা সুনিশ্চিত হয়।

১১) হাতীৰ আৱাসস্থলীৰ গুণগত মান উন্নয়নৰ বাবে অৰ্থাৎ খাদ্য আৰু পানীৰ সুব্যৱস্থাৰ বাবে অপৰ্যাপ্ত পৰিমাণে বৃক্ষৰোপণ কৰাৰ আঁচনি প্ৰস্তুত কৰা হৈছে তথা এই পদক্ষেপ ৰূপায়ণৰ বাবে বন সংমণ্ডলসমূহক উচিত পদক্ষেপ ল'বলৈ নিৰ্দ্দেশনা প্ৰেৰণ কৰা হৈছে। এই বিষয়টোৰ ওপৰত বন বিভাগৰ ফালৰ পৰা যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে।

১২) ইতিমধ্যে মানুহ-বন্যপ্ৰাণী সংঘাতৰ ফলশ্ৰুতিত হোৱা ক্ষয়-ক্ষতিৰ বাবে যি ক্ষতিপূৰণৰ ব্যৱস্থা বাহাল আছে তাক বৃদ্ধি কৰাৰ বাবে চূড়ান্ত পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই পদক্ষেপৰ ভিতৰত মানুহ-বন্যপ্ৰাণী সংঘাতৰ ফলত নিহত হোৱা ব্যক্তিৰ পৰিয়াললৈ ক্ষতিপূৰণৰ পৰিমাণ ১ লাখ টকাৰ পৰিৱৰ্তে ৩ লাখ টকালৈ বৃদ্ধি কৰাৰ লগতে অন্যান্য ক্ষয়-ক্ষতিৰ বাবদ ক্ষতিপূৰণৰ পৰিমাণো যথোপযুক্তভাৱে বৃদ্ধি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

**বন বিভাগ, অসম**

---xxxxx---